# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 27-09-2024
**Time :** 1715 Hrs.

***Assamese Evening Bulletin***

আজি বিশ্ব পৰ্যটন দিৱস। কেন্দ্ৰীয় তথা ৰাজ্য চৰকাৰৰ উদ্যোগত দেশৰ বিভিন্ন প্ৰান্তত আজি সেই অনুসৰি বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰা হয়। পৰ্যটন মন্ত্ৰালয়ে গ্ৰাম্য পৰ্যটনৰ প্ৰসাৰৰ উদ্দেশ্যে অনুষ্ঠিত কৰা শ্ৰেষ্ঠ পৰ্যটন গাঁও প্ৰতিযোগিতা ২০২৪ত অসমৰ শুৱালকুছিয়ে শিল্প শিতানত শ্ৰেষ্ঠ গাঁৰৰ সন্মান লাভ কৰিছে। উল্লেখযোগ্য যে যোৱা বছৰ প্ৰথমবাৰৰ বাবে অনুষ্ঠিত কৰা এই প্ৰতিযোগিতাত দেশৰ মুঠ ৭৯৫খন গাঁৱে অংশগ্ৰহণ কৰাৰ বিপৰীতে এইবাৰ মুঠ অংশগ্ৰহণকাৰী গাঁৰৰ সংখ্যা ৯৯১ খনলৈ বৃদ্ধি পাইছে। উত্তৰ-পূৰ্বাঞ্চলৰ ৫খন ৰাজ্যকে ধৰি মুঠ ৩০ খন ৰাজ্য তথা কেন্দ্ৰীয় শাসিত অঞ্চলৰ এই গাঁওসমূহৰ ৩৬ খনে বিভিন্ন শিতানত শ্ৰেষ্ঠ বিবেচিত হৈছে। শুৱালকুছিৰ লগতে মেঘালয়ৰ মাফলং আৰু মণিপুৰৰ এন্দ্ৰো নামৰ গাঁও দুখনে ঐতিহ্য শিতানত শ্ৰেষ্ঠ গাঁৰৰ সন্মান লাভ কৰাৰ বিপৰীতে ত্ৰিপুৰাৰ আনপনা গ্ৰাম আৰু মিজোৰামৰ ছিয়ালচুক নামৰ গাঁও দুখনে সমূহীয়া ভিত্তিক পৰ্যটনৰ শিতানত শ্ৰেষ্ঠ গাঁৰৰ সন্মান লাভ কৰিছে। আনহাতে মেঘালয়ৰ ওমডেন গাঁৱে শিল্প শিতানত স্থান লাভ কৰিবলৈ সক্ষম হৈছে।

বিশ্ব পৰ্যটন দিৱসৰ সৈতে সংগতি ৰাখি আজি ৰাজ্যৰ পৰ্যটন মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই পৰ্যটকৰ বাবে মানসৰ প্ৰৱেশ দ্বাৰ মুকলি কৰে। বড়োলেণ্ড পৰ্যটন বিভাগৰ সহযোগত উদযাপিত পৰ্যটন দিৱসৰ অনুষ্ঠানত বক্তব্য ৰাখি তেওঁ কয় যে, বি টি আৰ অঞ্চলত শান্তি আৰু সুস্থিৰতাৰ পৰিৱেশ ঘূৰি অহাৰ বাবে মানস ৰাষ্ট্ৰীয় উদ্যানলৈ পৰ্যটকৰ সংখ্যা বিগত বছৰসমূহত বৃদ্ধি পাইছে। অনুষ্ঠানত বি টি আৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো উপস্থিত থাকি বছৰি এই ৰাষ্ট্ৰীয় উদ্যানখনলৈ পৰ্যটকৰ সংখ্যা বৃদ্ধি পোৱাৰ দৰে এইবাৰো যথেষ্ট সংখ্যক দৰ্শনাৰ্থীৰ আগমন ঘটিব বুলি আশা প্ৰকাশ কৰে।

উল্লেখযোগ্য যে ২০২৪-২৫ বৰ্ষৰ বাবে বিশ্ব ঐতিহ্য ক্ষেত্ৰ মানস ৰাষ্ট্ৰীয় উদ্যানখন পৰ্যটকৰ বাবে মুকলিৰ দিন পূৰ্বে ১ অক্টোবৰ ধাৰ্য কৰা হৈছিল যদিও পৰ্যটন দিৱসৰ লগত সংগতি ৰাখি বিভাগীয় কৰ্তৃপক্ষই ৰাষ্ট্ৰীয় উদ্যানখন আজি পৰ্যটকৰ কাৰণে মুকলি কৰে।

0000000

ষষ্ঠদশ বিত্ত আয়োগৰ অধ্যক্ষ অৰবিন্দ পানাগাৰিয়াৰ নেতৃত্বত অহা এটা প্ৰতিনিধি দলে আজি কামৰূপ মহানগৰ জিলাৰ ডিমৰিয়া উন্নয়নখণ্ডৰ অন্তৰ্গত বৰখাটত থকা মহিলা খাদ্য প্ৰ-সংস্কৰণ সমবায় সমিতি ভ্ৰমণ কৰে। উল্লেখযোগ্য যে, অসম ৰাজ্যিক গ্ৰামীন জীৱিকা অভিযানৰ সহযোগত এই সমবায় সমিতিখন গঠন কৰা হৈছে। বিত্ত আয়োগৰ অধ্যক্ষকে ধৰি দলটোৱে সমবায় সমিতিখনৰ কৰ্মকৰ্তাসকলৰ সৈতে মত বিনিময় কৰি তেওঁলোকে প্ৰস্তুত কৰি উলিওৱা সামগ্ৰীসমূহৰ বিষয়ে বুজ লয়। তেওঁলোকে বজাৰৰ সৈতে থকা সমবায় সমিতিৰ সদস্যসকলৰ যোগাযোগ ব্যৱস্থাৰ লগতে আন আন প্ৰাসংগিক বিষয় সন্দৰ্ভত মত বিনিময় কৰে। দলটোৱে ইয়াৰ পাছত চতুৰ্দশ আৰু পঞ্চদশ বিত্ত আয়োগৰ পুঁজিৰে নিৰ্মিত সোণাপুৰ গাঁওপঞ্চায়ত আৰু তেতেলীয়া গাঁও পঞ্চায়তৰ বজাৰ এলেকা পৰিদৰ্শন কৰে। বিত্ত আয়োগৰ দলটোৱে ইয়াৰ পাছত মৰিগাঁও জিলাৰ জাগীৰোডত নিৰ্মীয়মান টাটা ছেমিকণ্ডাক্টৰ প্ৰকল্পও পৰিদৰ্শন কৰে। পৰিদৰ্শন কালত এই প্ৰকল্পটোত থাকিবলগীয়া সুবিধা, নিয়োগৰ সম্ভাৱনীয়তা তথা ইয়াৰ ফলত স্থানীয় যুৱ সমাজৰ মাজত হ'ব পৰা দক্ষতা বিকাশৰ সম্ভাৱনীয়তা সন্দৰ্ভত দলটোক অৱগত কৰোৱা হয়।

0000000

**এক পেড় মা কে নাম** কাৰ্যসূচীৰ অধীনত সমগ্ৰ দেশতে এতিয়ালৈকে ৮০ কোটিতকৈও অধিক গছপুলি ৰোপণ কৰা হৈছে। পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ে ৮০ কোটি গছপুলি ৰোপণৰ অভিলাষী লক্ষ্যত উপনীত হোৱাত সফল হৈছে। চলিত মাহৰ ২৫ তাৰিখে নিৰ্ধাৰিত সীমাৰ ৫ দিন পূৰ্বেই এই লক্ষ্যত উপনীত হয় বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। এই সফলতাৰ বাবে চৰকাৰী সংস্থা, স্থানীয় নিকায় আৰু অন্যান্য অংশীদাৰসকলৰ সামূহিক প্ৰচেষ্টাৰ মন্ত্ৰালয়ে শলাগ লয়। **এক পেড় মা কে নাম** কাৰ্যসূচীৰ অধীনত উত্তৰ প্ৰদেশে সৰ্বাধিকসংখ্যক

২৬ কোটি গছপুলি ৰোপণ কৰি এই অভিযানৰ শীৰ্ষ স্থানত আছে। উল্লেখযোগ্য যে, ৫ জুনত বিশ্ব পৰিৱেশ দিৱসৰ দিনা প্ৰধানমন্ত্ৰীয়ে নতুন দিল্লীত এই কাৰ্যসূচী উদ্বোধন কৰিছিল।

ooooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাত অনুষ্ঠানত **স্বচ্ছতা হি সেৱা** সন্দৰ্ভত আলোচনা প্ৰচাৰ কৰিব। এই অনুষ্ঠানত ৰাজ্যিক পঞ্চায়তি ৰাজ আৰু গ্ৰামোন্নয়ন প্ৰতিষ্ঠানৰ যুটীয়া সঞ্চালক সুৰজিৎ বৰগোঁহাই আৰু নলবাৰী চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ মেডিচিন বিভাগৰ সহযোগী অধ্যাপক ডাঃ ভাস্কৰ ঠাকুৰীয়া সমল ব্যক্তি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানটিৰ আঁত ধৰি মানস প্ৰতীম শৰ্মাই।

ooooooo

**সমাপ্ত**